# কবিতা

কবিতা পঢ়ি পাহৰিব পাৰি
পাহৰিব পাৰি কিছু দুখ, আনকি গ্লানি...

আহাঁ তৰুণ কবিসকল
আৰম্ভ কৰা তোমালোকৰ কবিতা

# কবিতা

## বিকালী মহাবিদ্যালয়

গীতাঞ্জলি ৰায়

হে জ্ঞানৰ পুণ্য তীৰ্থ
উদুলি মুদুলি আজি তোমাৰ দুৱাৰদলি
যৌৱনৰ দুৱাৰ খুলি আদৰিছা তুমি
অনুৰণন আজি আকাশে বতাহে
তোমাৰেই জয়গান।
কত যে আজি পোহৰ সন্ধানী প্ৰাণে
জ্ঞানৰ মালা পিন্ধি উজলালে তোমাৰ মুখ।
আনন্দেৰে উপচাইছা সকলোৰে হৃদয়
তোমাৰ কোলাতেই আজি হৃদয়ে বিচাৰি পাইছে
গভীৰ আত্মীয়তা।

●

## শেৱালি

হিমাদ্ৰী ৰায়

শৰতৰ শেৱালি ফুলিল সন্ধিয়া
চৌদিশে গোন্ধত আমোল-মোলাই,
পুঁৱতিত সৰি লেৰেলি পৰিল
গ'ল যে ৰ'দালিত শুকাই ক্ষীণাই।
আহিছিল শেৱালি শুভ্ৰ সাজ পিন্ধি
শুভ্ৰ জোনাক নিশাৰ বেদী সাজিবলৈ,
বেদী সজা হ'ল, পূজা যে পূৰ্ণ নহ'ল
মনৰ আশা তাইৰ মনতে ৰ'ল।
আছিল তাইৰ বহুতো আশা
কিন্তু হৈ গ'ল সকলো নিৰাশা,
আহিছিল তাই হিয়াৰ মৰম বিলাব বুলি
দুখতে যাব তাইৰ চিৰ জীৱন জুৰি।

●

# এচেৰেঙা ৰ'দৰ পোহৰ

ধনমনি ৰাভা

যৌৱন গচকা তোমাৰ আগমনে
উমলে সংগোপনে
সোণালী দেশত, লুইতৰ ঘাটত
বেলি লহিওৱাৰ পৰত।

মই যে কেৱল জীয়াই থাকো
ভাৱৰীয়াৰ বেশ লৈ
অভিনয়ৰ মঞ্চত
প্ৰেমিকাৰ আশ্ৰয় দানৰ প্ৰতিশ্ৰুতিত।

শীতল নদীৰ ধীৰ
গতিৰ দৰে-
মনোযোগ নাই মোৰ
উদং পথাৰৰ বুকুত
পলস পেলাবলে।

ধূসৰ গধূলিৰ আঁৰে আঁৰে
বহুতো মুহূৰ্তৰ ভস্ম অৱশেষ
শিতানত আহি
থমকি ৰ'ল।

লাজুকী লতাৰ পৰশ লগা
এচেৰেঙা ৰ'দালীৰ পোহৰ যেন,
স্মৃতি বিজড়িত
তোমাৰ প্ৰেৰণাৰ সুগন্ধি।

ল'ৰালিৰ দলিচা গচকি পাৰ হোৱা
বাসনাৰ যন্ত্ৰণাবোৰ
নিশাৰ নিটোল গহ্বৰত
সময় শিকলিৰে ঘেৰি ধৰা।

আশ্ৰয়ৰ অন্তৰালত
বিলীন হ'বলৈ উৰুৱাই দিয়া
তোমাৰ যৱনিকা।

●

## জ্যোতিষ্মান

পবিত্ৰ কছাৰী

পূৰ্ণিমাৰ নিশা লাহে লাহে
জোনবাইটিক গিলিব ধৰিছে ৰাহুৱে
ধৰাৰ বুকুত এতিয়া মাথোঁ
এন্ধাৰৰ জয় গান।

খিৰিকীৰে সোমাই অহা
উৰুঙা বতাহ জাকে
দি যায় মাথোঁ
বৰ্ণভেদে, পাৰমাণৱিক অস্ত্ৰ
আৰু সাম্ৰাজ্যবাদৰ দুৰ্গন্ধ
আৰু যে কত.....।

শুনিছো দূৰৈত ৰিণিকি ৰিণিকি অহা
শত শত জনতাৰ মৰ্মভেদী
কৰুণ বিননিৰ সুৰ
হয়তো হ'ব পাৰেই এয়া
হিৰোচিমা আৰু নাগাচাকিৰেই বিননি।

নিবিচাৰোঁ মই বৰ্ণভেদ
ৰাজনীতিকৰ নীতি
লাগে মাথোঁ মোক বৰ্ণহীন
একোখন মহা মিলনৰ তীৰ্থ

অন্ত পৰক
এই অমাৱস্যাৰ নিশা
উদয় হওঁক পূৰ্ব দিশত
হেঙুলী আভাৰ নতুন সূৰ্য্য।

●

## জীৱন

দীপামনি মল্লিক

মৃত্যুৰ ফালে আমি
সকলো অবিৰতভাৱে
গৈ আছো আগুৱাই।
শত-সহস্ৰ বাধায়ো আমাক
দিব নোৱাৰে আগভেটা
ই যে নদীৰ দৰে প্ৰবাহিত সুঁতি
সজীৱতাই যাৰ গতি
মৃত্যুয়েই তাৰ- পৰিণতি
তাৰে নাম জীৱন।
জগত দুদিনীয়া
জীৱন মাত্ৰ এবাৰ আহে
তাতে বহুতো আশা বাঢ়ে
দুদিনীয়া সংসাৰলৈ আহি
জীৱনক দিয়ে বহুতো আশা।

●

# তুমি অনন্যা

দিম্পী দাস

বিকালী মহাবিদ্যালয় তুমি অনন্যা,
ধূপধৰাৰ বিকালী মৌজাত
সাজিছা তোমাৰ পঁজা,
অলেখ আশাৰে বিলাও বুলি
সহস্ৰ জনলৈ জ্ঞানৰ উজ্জ্বল শিখা।

আহিল কতজন জ্ঞান ল'বলৈ
তোমাৰ আচলৰ ছাঁত,
তুমিও বিলাই দিলা জ্ঞানৰ জেউতি
নাৰাখি কোনো ভেদ-ভাব।

হেজাৰজনৰ মানসপটত
তুমিয়েই ভগৱান,
আন্ধাৰ নাশি সহস্ৰজনক
দিলা পোহৰৰ সন্ধান।

নতুন আশাৰে আহক নতুন পুৰুষ
তোমাৰ কাষলৈ
তোমাৰ পোহৰ বিলাই যোৱা
অনন্ত কাললৈ।

তুমিয়েই কঢ়িয়াই আনা
বিকালী গাঁৱলৈ মহামান,
হে ৰোৱা তুমি যুগ- যুগান্তৰলৈ
চিৰ জ্যোতিষ্মান।

●



# সৃষ্টি

দেৱশ্ৰী ৰাভা

সৃষ্টিত সুন্দৰ আছে যিমান
মহীয়ান হয় তাৰেই সিমান,
গীতবোৰ যদি অতি মধুৰ হয়
মনবোৰ অজানিতে সুন্দৰ হয়
কত হাঁহিৰে ভৰা বিনোদেৰে
ৰূপবোৰ সজীৱ হয়।

মই ভবা কথাবোৰ সৃষ্টি হওঁক
মই লিখা শাৰীবোৰ গীত হওঁক,,
কত সুৰেৰে, সুৰৰ মূৰ্চ্ছনাৰে
গীতবোৰ জীপাল হওঁক।

মোৰ সৃষ্টিয়ে কৈ দিয়ে মোক
নিজকে সজাই তোলা।।

ভাবিছো নীল আকাশত
অলেখ ঐক্যৰ সুৰ,
বিচাৰি যাওঁ, কেনি পাওঁ
কিমাননো দূৰ,
সাধনাই যদি দিয়ে মোক
সৃষ্টিৰ অমিয়া সুৰ।।

●

# ফুলনি

## মিটুমনি সূত্ৰধৰ

সজালা ফুলনিখনি
এনেনো শুৱনি কৰি
ৰুলা তুমি ফুল পুলি
অতি সযতনে;
সাৰ, জাবৰ, পানীৰে
উঠিছিল ঠন ধৰি
পেলালে কলি, ৰং বিৰঙৰ
ফুলিলে ফুল ফুলনি শুৱাই
নানাৰঙে শোভা বঢ়াই
বতাহে সুগন্ধ বিলায়
ৰুৱা ফুল পুলি যতনাই
তেহে ফুলিব ফুল শুৱাই ফুলনি
তেতিয়াহে ...............
ধুনীয়া সাজেৰে সজ্জিত হ'ব ধৰণী।
●



# দেউতা

## ডলীমণি নাথ

দেৱালত ওলমি থাকিলা তুমি আজি
নীৰৱ এখনি মালাবৃত্ত ফটো হৈ।
গোটেইখন বিচাৰি বিচাৰি চলাথ কৰিলোঁ
ক'তো যে বিচাৰি নাপালো তোমাৰ ছাঁটোও,
বিদায় বেলাত মাথোঁ দুধাৰি অশ্ৰুৰে
কিনো কৈছিলা তুমি আজিও বুজি নাপালোঁ।
মোৰ তোমাক অন্তিম দৰ্শনৰ উপহাৰ হিচাপে দিয়া
তোমাৰ চকুপানীখিনি আজিও
মোৰ হৃদয়ৰ নিভৃত কোণত সযঁতনে ৰাখিছোঁ।

দেউতা, তোমালৈ এটা প্ৰশ্ন কৰিছো
কি অপৰাধৰ শাস্তি দি তুমি মোক নিঠৰুৱা কৰি
অচিন অজান দেশলৈ গুচি গ'লা?

দেউতা, আজিও বিচাৰো তোমাক
বিচাৰো মৰমৰ ঘৰখনত তোমাৰ সঁহাৰি
বিচাৰো তোমাৰ এষাৰি মাত।

তুমি নাই; গুচি গৈছা যদিও বহুদূৰলৈ
তুমি আমাৰ মাজতে আছা
তুমি আছা স্পৰ্শবিহীন শব্দবিহীন হৈ
আমাৰ বিষাদভৰা হৃদয়ৰ মাজত।
●

(দেউতাৰ স্মৃতিত)

# শৰত আহি আছে

মাম্পী মণ্ডল

মোৰ খিড়িকী মুখেৰে নামি আহিছে
তোমাৰ নীলা শৰীৰ
ৰ'দত জিলমিলাইছে, মেঘালী চুলি
গাত কুঁৱলীৰ বগা চাদৰ
আৰু হাতত শেৱালিৰ সুবাস লৈ
নৈৰ পাৰৰ কঁহুৱা ফুলবোৰে মিচিকীয়া হাঁহিৰে
বাট চাই আছে তোমালৈ
বহুদিন হ'ল —
কৰণিত ফুল বোটলা নাই
শেৱালিৰ দলিচা পৰা-
দেউতাৰ চোতালত
দেখা নাই
শইচৰ পথাৰ জুৰি
নিয়ৰৰ মুকুতা ধাৰি
আহিনৰ চিপ চিপ বৰষুণজাকে
জগাবহি শীতৰ প্ৰথম পুৱাক
শুকুলা মেঘৰ কোলাত উঠি
বৰষুণত তিতি বুৰি
শৰৎ আহি আছে ..........।

●

# নিয়ৰ

সূচনা বৰ্মণ

আঘোণৰ সেই সেমেকা পুৱাতে
কোননো আহিছিল বাৰু?
আলফুল দুবৰি বনৰ দলিচাতে
সিঁচি দি গ'ল চকুলো।
কোনে বাৰু সিঁচি গ'ল
আঘোণৰ পুৱতি নিশাত,
হিম চেঁচা বৰফৰ
মুঠি মুঠি মুকুতা মণি।
মুঠি মুঠি মুকুতা মণিবোৰ কাৰনো
আনন্দৰ নে বিষাদৰ স্মৃতিত
দুচকুৰে নিগৰি অহা
পবিত্ৰ অশ্ৰুকণা।
পুৱতি নিশাত আহে যেন সৰগৰ পৰী
আপোন পাহৰা হৈ
টিপ টিপ টাপ টাপ
সুললিত তাল ধৰি।
অপৰূপ ভংগীমাৰে বিলাব খুজিলে
পৃথিৱীত আঘোণৰ আগমনী,
নিয়ৰৰ সঁহাৰি পাই আঘোণেও আহিল
ন-ন খোজ মেলি।
ৰঙা ওঁঠ মেলি সূৰুযে মিচিকিয়ালে
দুবৰি বনৰ দলিচাতে
মুকুতা মণিৰ শুভ্ৰ প্ৰভাই
জগত জিলিকালে।
সূৰুয নামৰ দানৱটোৱে যেন কাঢ়ি লয়
জিলিকা নিয়ৰ টোপাল
জিলিকি থকা প্ৰতিটো নিয়ৰ টোপালতেই থাকে
হয়তো কোনোবা জনমৰ অভিশাপ।।

●

# শৰতৰ শেৱালিৰ স্নিগ্ধ সুবাস বিচাৰি

সান্ত্বনা বসুমতাৰী

আজি আকৌ বহু দিনৰ মূৰত
শৈশৱ কাললৈ মনত পৰিছে।
আজি আকৌ বহু দিনৰ মূৰত
মন গৈছে আহিনৰ দুবৰি দলিচাত
তোমাৰ সতে একেলগে খোজ দিবলৈ।
মন গৈছে শৰতৰ পুৱতি নিশাত
শেৱালি ফুলৰ স্নিগ্ধ সুবাস ল'বলৈ।
বহু দিন হ'ল শৰতৰ শেৱালিৰ
আমোলমোল গোন্ধ পোৱা নাই।
সৌ সিদিনাৰ দৰে আজিও আহিছো
শেৱালিৰ স্নিগ্ধ সুবাস ল'বলৈ
সকলো ঠিকেই আছে,
শেৱালিৰ তলত আছে,
শেৱালিৰ স্নিগ্ধ সুবাস।
আহিনৰ দুবৰি দলিচাত লাগি আছে
নিয়ৰত তলসৰা মুকুতা মণি।
মাথোঁ তুমিহে কাষত নাই-
সৌ সিদিনাৰ দৰে আজি আকাশত নাই
পূৰ্ণিমাৰ জোন নিৰৱ হৈ
একেথৰে আকাশলৈ চাই ৰও
জানোচা ওলায়ে নেকি পূৰ্ণিমাৰ জোন
জানো, তুমি কেতিয়াও উলটি নাহিবা
জানো মোৰ আকাশত আৰু নোলাব জোনাক
শূন্যতাৰে ভৰা জীৱনৰ প্ৰতিটো খোজত
নাপাম কিজানি শৰতৰ পুৱতি নিশা।
তোমাৰ সতে ল'বলৈ শেৱালি ফুলৰ সুবাস
বহুদিন হ'ল নিয়ৰসনা দুবৰি দলিচাত
তলসৰা শেৱালিৰ মালা গথাঁ নাই
এধাৰি দুধাৰিকৈ মালা গাঁথি
নাচনিৰ সাজত খোপাত মেৰিয়াই চাইছো
আজি দেখোন মোক সাজি উঠা নাই
সকলো থাকিও যেন কিবা এটা নাই
অনুভৱ হয় সকলো পায়ো নোপোৱাৰ ভাব
শৰতৰ শেৱালিৰ সুবাস বিচাৰি
এখনি ক্লান্ত হৃদয়ত ফুটি উঠা এই অনুৰাগ
কাৰ বাবে তোমাৰ বাবেই
শৈশৱ! তুমি আকৌ আহা অশ্ৰুসিক্ত
নয়নত দি যোৱা এবুকু মৰম ভালপোৱা।
য'ত থাকিব মোৰ আকাশত জোনাক
স্মৃতি হৈ ৰ'ব শৰতৰ শেৱালিৰ স্নিগ্ধ সুবাস।

●

## সময়ৰ জ্যামিতি

ৰাছেল আখতাৰ

বছৰবোৰ বাগৰি যায়
জানুৱাৰিয়ে গৈ ডিচেম্বৰ পায়
যেনেকৈ পুৱাটোৱে সন্ধিয়া হয়
এনেকৈয়ে উখহা হাতৰ পৰা
আবেলিটো মোৰ হেৰাই যায়।
কামিজটোত জুই ধৰাই
এন্ধাৰবোৰ খুচৰি খুচৰি
হাড়-চাল চেপেটা খায়
এক যুগৰ চকাত।

পালেঙত এনড্ৰইড টিপা মগজু
যাৰ গোন্ধকে নাপায়

সময়ত ওলমি থাকে জ্যামিতি
জীৱন মৃত্যু সপোন
সমবাহু ত্ৰিভুজ
য'ত নব্বৈ ডিগ্ৰী কোণ কৰি
বহি থাকে বাস্তৱ।

●

## এটি পুৱা

আজিজুল ৰহমান

যোৱা নিশা -
এজাক বৰষুণ আহিছিল
সৰাপাত গাভৰু হৈছিল,
সেমেকি আছিল আলিবাট
পুখুৰীত জাল পাতিছিল।

মেটেকা তলে তলে
জীয়া বাহুৰ ছট-ফটনি
তুমি মোৰ লগ এৰা
নাছিলা ..
ইমান শেতা, ঢেলা চকুহালি।

শাৰী শাৰী বৈ আছিল
জপৰা চুলিৰ জধলা বুঢ়ী
উভতি আহিছিলো মই
তুমি হেৰাই গ'লা
নীল নীলিমাত
উখল-মাখল হেপাঁহ।

●

## প্ৰতীক্ষা

মমিনুৰ ইছলাম

তুমি ৰুই যোৱা নাৰ্জী, তগৰ শেৱালি বোৰে
এতিয়াও তোমালৈ বাট চাই আছে
তুমি এতিয়া ক'ত
পাহাৰত নে নৈৰ পাৰত
নে বাছষ্টেচনৰ নৰ্দমাৰ আঁৰত

তুমি বুজি নোপোৱা নয়নৰ গোলাপী
মোৰ আবেগিক মন এতিয়া তন্দ্ৰাত বিভোৰ
তুমি সোনকালে আহা
আকাশৰ উজ্জ্বল তৰা এটি হৈ

তোমাৰ বাবে বৈ আছে
নাৰ্জী, তগৰ, শেৱালি
আৰু মোৰ আবেগিক মন...
তুমি যি বাটেৰে গৈছিলা
তাতে বৈ আছো...
তুমি সোনকালে আহা
মোৰ নয়নৰ গোলাপী...

●

## কহুৱানিডৰা

দীপিকা চৌধুৰী

নিৰিবিলি সন্ধিয়াৰ স্নিগ্ধ পোহৰৰ
মায়াসনা মধুৰ ছবি এখনি
অপৰূপ সৌন্দৰ্য্যৰে ভৰা আকাশত এতিয়া নাই
কলীয়া মেঘৰ গৰ্জনত নাচা দেওধনী,
আৰু চিকৃমিকাই উজলি থকা সৌদামিনী।
শুকুলা মেঘৰ আঁৰে আঁৰে
উৰি যোৱা জাক জাক
শামুকখোলা, বছা বছা শৰালি
আবেলি বেলিৰ হেঙুলীয়া কিৰণত
জিকমিকাই উঠিছে তাৰেই প্ৰতিচ্ছবি।
ৰিবৃৰিব মলয়াত কঁপিছে
বিশাল ধাননি,
যেন আপোনজনক আদৰিবলৈ
পাৰি দিছে শ্যামলী দলিচাখনি।
মৃদু গুঞ্জন তুলি কুলু কুলু কৈ বৈ অহা
নিৰৱধি নৈ খনি,
স্ফটিক সদৃশ পানীত দেখিছোঁ
তোমাৰেই মুখখনি।
নৈৰ পাৰৰ বিশাল কঁহুৱানিত
ফুলিছে কঁহুৱা আলফুলীয়া
কাৰ বাবেনো হালি জালি নাচিছ তই
হই আপোন পাহৰা ?
নিলাজী কঁহুৱা
তোৰ মনত দুখ গুপুতে ৰাখি
নীৰৱে বোৱাই দিয় কিয় তই ফল্গুধাৰা।

●

## সংহাৰী বান

সোণমা ৰাভা

বাৰিষাৰ দিনবোৰ আকৌ আহিছে
লগত আনিছে বান
ক্ৰমান্বয়ে শুকাই যোৱা নদীবোৰ
ফেনে ফুটুকাৰে বাঢ়ি আহিছে
অসমী আইৰ দুখৰ চকুলো
কেনেকৈ মচিব হায়!
মহানগৰবাসীৰ দুখ
হেজাৰজনে হেৰুৱাব প্ৰাণ
কিমানজন যে হ'ব নিঠৰুৱা
পেটমছা খেতিডৰাও আকৌ
সমাধিস্থ হ'ব
সংহাৰী বানত।।

●

## বৰ অসম

আশাৰাণী নাথ

সৃষ্টিৰ কঠিয়া সিঁচি
বুঢ়া লুইতে
বোৱাই আনিলে
সম্প্ৰীতিৰ এনাজৰি
তিৱা, কাৰ্বি, কছাৰি
ৰাভা, মিচিং, দেউৰী
বৰ অসম গঢ়িলে
হাতত হাত ধৰি।
তাহানিৰ দিনতে
শংকৰ -আজানে
সুদৃঢ় কৰিলে
বৰ অসমৰ ভেঁটি।

●

## জীৱনৰ বাট

জিতামণি ৰাভা


জীৱনৰ চিৰন্তন সত্যক
বুকুত বান্ধি লৈ
বুলিছো আজি জীৱনৰ বাট।

শীত তাপ বৰষুণ
জাকে জাকে আহে
ভেটা দিবলৈ।

সহজ নহয় জীৱনৰ
এই লুং লুঙীয়া বাট
পদে পদে আছে
ধুনীয়া সুগন্ধি ফুল···
লগত থাকিব কাইটৰ বাহ তাত।

শেৱালীৰ সুবাসৰ দৰে
সত্য থাকে আমোল-মোলাই;
লোভ নিন্দা, কুচক্ৰান্তই
দুৰ্গন্ধ বিয়পায়।

জীৱন যাত্ৰাত থাকিব
সুখ-দুখ লগৰী হৈ।
যোৱা আগুৱাই
নাচাবা উভতি পিছলৈ।।



## নিঃসংগতাৰ হুমুনিয়াহ

নিহা ৰাভা

নিঃসংগতাক ভেটি আহে এক
হুমুনিয়াহ যেন
ভাগৰুৱা পথিকৰ দৰে,
ক্লান্তিময় মৰুত হেৰাই যোৱা
এটি সপোন বিচাৰি হাহাকাৰ...।
মৰুভূমিৰ বালিবোৰে ঢাকি ধৰা
সেই অচিনাকী কথাবোৰে য'ত
অতৃপ্তিৰ তৃষ্ণাহে জ্বলি উঠিছিল।
সেই এক হুমুনিয়াহ আহে,
ক'ত গ'ল সেই সপোনৰ
মধুৰতম সময়বোৰ য'ত
আঁকিছিলো সপোনৰ এক
ৰক্তিম আভা.....।
সেই সপোনে লগ
এৰাৰ পৰাই যেন
পাৰ কৰিছো এক
নিঃসংগতাময় দিন য'ত
নিঃসংগতাক ভেঁদি আহে
এক হুমুনিয়াহ ....।।

## আমাৰ জনমভূমি

আনাৰুদ জামান শেখ

ধুনীয়া ধৰণী সেউজীয়া হালধীয়া
আমাৰ এই মাতৃভূমি।
সুফলা-সুজলা শস্য শ্যামলা
আমাৰ এই জনমভূমি।।
সুখ বিচাৰি নাযাওঁ কতো
আমাৰ এই শান্তিৰ দেশ।
জাতি, ধৰ্ম, বৰ্ণৰ নাই
একো ভেদা ভেদ
সকলোৰে মাজত মিলা-প্ৰীতি
থাকে সকলোৰে লগ লাগি
সকলোতে হিন্দু সকলোতে
মুছলমান, বৌদ্ধ, খৃষ্টান।
যতেই নাযাওঁ নাপাওঁ সুখ
নালাগে একো ভাল।
ভাল লাগে মাথোঁ এই খন
অসমত যদিওবা হয়
বাৰিষা কাল।

